জাতিৰ সেৱাত উৎসৰ্গিত

http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

৩ সৰ্ৰ্থেবাৰীত ৰাইজমেল
১০ ১২ কোটি পাৰিশ্ৰমিক তৃষাৰ

কেঁচা চাহপাতৰ মূল্য হ্ৰাস ৭
ৰোহিতৰ ২০০ আন্তঃৰাষ্ট্ৰীয় কেচ ১২

৫৯ বছৰীয়া ঐতিহ্য ১৯৬৫-২০২৩

৪৩ সংখ্যা, ২৯ ভাদ, শনিবাৰ, ১৯৪৫ শক । DAINIK ASAM : Assamese Daily । VOL. 59 NO. 43 । DIBRUGARH, SATURDAY, SEPTEMBER 16, 2023 । পৃষ্ঠা ১২ (Pages

...য়ৰ
...গঠন



...ৱ শিক্ষাখণ্ডৰ
...মিক বিদ্যালয়ৰ
...ৰত গঠন কৰা
...ভাপতিত্ব কৰে
...কুমাৰ নেওগে
...ভাপতি আৰু
...লৈ ১৭জনীয়া

## ডি এইচ এছ কানৈ মহাবিদ্যালয়ত উচ্চ শিক্ষা সঞ্চালকালয়ৰ উপ-সঞ্চালকক সম্বৰ্দ্ধনা

নিজা বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১৫ ছেপ্টেম্বৰ ঃ** 'আমি সদায় সত্যত থাকিব লাগিব, অসত্য কেতিয়াও জীৱন হ'ব নোৱাৰে।'— ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত যোৱা ১২ ছেপ্টেম্বৰত অনুষ্ঠিত এক মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰি উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ উপ-সঞ্চালক চিন্ময়ী তালুকদাৰে এইদৰে কয়। তেওঁ কয় যে সদায় সত্যত থাকি জীৱনটোক আগুৱাই নিবলৈ চেষ্টা কৰিব লাগে। মহাবিদ্যালয়ৰ মুখ্যদ্বাৰৰপৰা সভা কক্ষলৈ গায়ন-বায়ন আৰু এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই অনা অনুষ্ঠানত উপ-সঞ্চালক তালুকদাৰে আৰু কয় যে নেৰানেপেৰা প্ৰচেষ্টাই জীৱনত যিকোনো কামৰ সফলতা আনি দিব পাৰে। পৃথিৱীত কোনো কামেই সহজ নহয়। কিন্তু নেৰানেপেৰা চেষ্টাই সকলো কামেই সহজ কৰি তুলিব পাৰে আৰু জীৱনলৈ সফলতা কঢ়িয়াই আনিব পাৰে। তেওঁ কয়— সকলোৰে সমাজৰ বাবে কিবা এটা কৰাৰ দায়িত্ব থাকে। সেই দায়িত্ব সকলোৰে বেলেগ বেলেগ হয় বুলি মন্তব্য কৰি তেওঁ কয় যে এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক কি দিব পাৰিছে, এজন প্ৰশাসকে সমাজক কি দিব পাৰিছে সেইটো নিৰ্ভৰ কৰে ব্যক্তিজনৰ সমাজৰ প্ৰতি থকা দায়িত্ব, কৰ্তব্য আৰু নিষ্ঠাৰ ওপৰত। পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়খনত উপস্থিত হোৱা উপ-সঞ্চালকগৰাকীক মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰপৰা প্ৰদান কৰা সম্বৰ্দ্ধনা পত্ৰ, স্মাৰক আৰু কিতাপৰ টোপোলা গ্ৰহণ কৰি তেওঁ কয় যে মহাবিদ্যালয়খনৰ গায়ন-বায়ন, এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই এনে এক সম্বৰ্দ্ধনা জনোৱাটো মোৰ জীৱনৰ মানসপটত চিৰদিন স্মৃতি হৈ থাকিব। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ডঃ মনমী বৰুৱাই আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ




প্ৰদান কৰে অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। ছাত্ৰী ডেইজী দিহিঙ্গীয়াৰ এটি গীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ অনুপজ্যোতি ভৰালী, শৈক্ষিক সমন্বয়ক ডঃ অনন্ত কুমাৰ দত্তকে ধৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

আই...
যোৰহা...

নিজা বাতৰি ...
যোৰহাট, ১৫...
মহিলাতীৰ্থ, যে...
সাংগঠনিক সভ...
ক্লাবত অনুষ্ঠিত...
মহাসভাৰ যোৰ...
গোস্বামীয়ে ব...
সভাত আই...
কোৰাছ পৰিবেশ...
মহিলা তীৰ্থৰ...
বেজবৰুৱাই স...
অতিথি হিচাপে...
গড়মূৰ সত্ৰৰ স...
সভাত আই...
সভাপতি ডঃ...
মৃণালিনী গো...
খাউণ্ড, সদৌ...
সন্মিলনৰ সভা...
বহু কেইগৰাকী...
মহীয়সী নাৰী...
আলোকপাত...